# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 14-02-2026
**Time :** 1340 HRS.

*Assamese Midday Bulletin*

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পূৰ্বে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে।

২। ভাৰতীয় ডাক বিভাগে দেশৰ চহকী আৰু বৈচিত্ৰ পুতলা নাচ পৰম্পৰাৰ উদযাপন কল্পে ৮ টা স্মাৰক ডাক টিকটৰ এটা ছেট মুকলি কৰিছে।

৩। ঝাৰখণ্ডৰ বিশেষ এন আই এ আদালতে নিষিদ্ধ ঘোষিত সংগঠন PLFIৰ ৬ জন সদস্যক ১০ বছৰৰ কঠোৰ কাৰাদণ্ডৰ নিৰ্দেশ দিছে।

৪। উপ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ২০১৯ চনৰ পুলৱামাত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা বীৰ জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিছে।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আয়াৰলেণ্ডে ওমানক ২৩৬ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পূৰ্বে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। এই উপলক্ষে লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰে আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে বিয়লিৰ ভাগলৈ গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰাৰ কথা।

ইয়াৰ পূৰ্বে, দিনজোৰা ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী মোদীয়ে ডিব্ৰুগড় জিলাৰ মৰাণৰ ঘাইপথত জৰুৰীকালীন অৱস্থাত বিমান উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা অৱতৰণক্ষেত্ৰ মুকলি

কৰে। শ্ৰীমোদী আজি পুৱা এই অৱতৰণ ক্ষেত্ৰত অৱতৰণ কৰে। তেওঁ লগতে ছুখয়-থাৰ্টি, ৰাফেল, তেজছ্ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ্ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানৰ অৱতৰণ আৰু উৰণ কৌশল প্ৰত্যক্ষ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অৱতৰণ ক্ষেত্ৰ উত্তৰ-পূৰ্ব প্ৰথমখন জৰুৰীকালীন ক্ষেত্ৰ। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

০০০০০০

ভাৰতীয় ডাক বিভাগে দেশৰ চহকী আৰু বৈচিত্ৰময় পুতলা পৰম্পৰা উদযাপন কৰিবলৈ ৮টা স্মাৰক ডাক টিকটৰ এটা ছেট মুকলি কৰে। নতুন দিল্লীত ভালেসংখ্যক শিল্পী আৰু সাংস্কৃতিক জগতৰ ব্যক্তিৰ উপস্থিতিত ডাক বিভাগত সচিব বন্দিতা কৌলে এই ডাক টিকটসমূহ মুকলি কৰে।

ডাক টিকট মুকলি অনুষ্ঠানত উপস্থিত থাকি শ্ৰীমতী কৌলে কয়, যে দেশৰ ঐতিহ্যক প্ৰতিনিধিত্ব কৰা ডাক টিকটসমূহ ক্ষুদ্ৰাকৃতিৰ প্ৰতিনিধি। ই ভাৰতৰ চহকী লোক শিল্পক সংৰক্ষণ কৰে। তেওঁ আশা কৰে যে এই ডাক টিকটসমূহে দেশৰ গতিশীল সাংস্কৃতিক ঐতিহ্যক পুনৰ বন্দিত কৰিব। এই স্মাৰক ডাক টিকটসমূহ বিভিন্ন অঞ্চলৰ পুতলা শিল্পৰ নিদৰ্শনেৰে বিশেষকৈ ৰাজস্থানৰ কাঠপুতলী, কৰ্ণাটকৰ যক্ষগনা গোম্বেয়ত্তা পুতলা শিল্প, পশ্চিমবংগৰ ডাঙেৰ আৰু বেণীৰ পুতল, ওড়িশাৰ ৰাৱনচ্ছায়া আৰু কাঠিকুণ্ডেই, কেৰালাৰ পাবকাথাকলী আৰু অন্ধ্ৰপ্ৰদেশৰ তুলুবোমালত্তাৰে সজাই তোলা হৈছে। প্ৰতিটো ডাক টিকটৰ মূল্য ৫০০ পইচা নিৰ্ধাৰণ কৰা হৈছে আৰু ডাক বিভাগৰ পোৰ্টেলত ই উপলব্ধ হ'ব।

০০০০০০

ঝাৰখণ্ডৰ বিশেষ এন আই এ আদালতে এটা গুৰুত্বপূৰ্ণ ৰায়দান কৰি নিষিদ্ধ ঘোষিত সংগঠন পিপলছ্ লিবাৰেচন ফ্ৰন্ট অ'ব ইণ্ডিয়া চমুকৈ PLFIৰ ৬ জন সদস্যক সন্ত্ৰাসবাদ, অবৈধ অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ আৰু ধনদাবীৰ অভিযোগত ১০ বছৰৰ কঠোৰ কাৰাদণ্ডৰ নিৰ্দেশ দিছে। আদালতে অভিযুক্ত গোলাপ কুমাৰ যাদৱ, ৰবি যাদৱ, ৰাকেশ কুমাৰ পাছোৱান, পৰণ কুমাৰ যাদৱ, সন্তোষ যাদৱ আৰু সুৰেশ যাদৱক বিভিন্ন আই পি চিৰ ধাৰা, বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন আৰু অপৰাধ আইনৰ বিভিন্ন ধাৰাৰ অধীনত শাস্তি বিহে। উল্লেখযোগ্য যে, ২০১৮ চনৰ ডিচেম্বৰত লাটেহাৰ জিলাৰ বালুমাঠ অঞ্চলত উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰৰ ঘটনাৰ তদন্ত কৰি এন আই এ ২০২০ চনৰ ফেব্ৰুৱাৰীত অভিযোগ নামা দাখিল কৰিছিল। এই তদন্তত সন্তোষ যাদৱে আঞ্চলিক কামাণ্ডাৰ ৰূপে আৰু সুৰেশ যাদৱে সংগঠনটোৰ হৈ সদস্য ভৰ্তি, বিভিন্ন অভিযান আৰু অবৈধ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰি অহাৰ তথ্য পোৱা হৈছিল।

০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্. জয়শংকৰে ২০১৯ চনৰ পুলৱামাত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা বীৰ জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিছে। উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে সুৰক্ষা কৰ্মীসকলৰ সৰ্বোচ্চ বলিদান সদায় স্মৰণ কৰা হ'ব। তেওঁ কয়, যে তেওঁলোকৰ বলিদানে প্ৰতিগৰাকী নাগৰিককে এখন শক্তিশালী আৰু নিৰাপদ ভাৰতবৰ্ষ গঢ়াৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে শ্বহীদ জোৱানসকলৰ ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠা সংকল্প আৰু সেৱা দেশবাসীৰ মানসপটত চিৰ স্মৰণীয় হৈ থাকিব। তেওঁ কয়, যে প্ৰতিগৰাকী ভাৰতীয়ই তেওঁলোকৰ অদম্য সাহসৰ পৰা প্ৰেৰণা লাভ কৰি আহিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° জয়শংকৰে নিজৰ বাৰ্তাত কয়, যে শ্বহীদসকলৰ বলিদানে সীমান্তৰে চলা সন্ত্ৰাসবাদী কাৰ্যৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অনুসৰণৰ কৰাৰ সংকল্প সুদৃঢ় কৰি তোলে।

০০০০০০

অহা ১৬ৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ নতুন দিল্লীত আয়োজন কৰা India AI Impact শীৰ্ষ সন্মিলনত ১০০ৰো অধিক ৰাষ্ট্ৰৰ মুৰব্বী, চৰকাৰী শীৰ্ষ নেতৃত্ব, নীতি নিৰ্ধাৰণকাৰী আৰু অভিজ্ঞ লোকে কৃত্ৰিম বুদ্ধিমত্তাৰ নীতি নিৰ্ধাৰণৰ বিষয়ে আলোচনা কৰিব। ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বত বহনক্ষম বিকাশৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ সন্দৰ্ভতো এই সন্মিলনত আলোচনা কৰা হ'ব। সন্মিলনত আলোচনা, বিষয় বিশেষজ্ঞৰ শিতান আৰু শেহতীয়া প্ৰযুক্তিৰ নতুন নতুন উদ্ভাৱণৰ এখন প্ৰদৰ্শনীও অনুষ্ঠিত হ'ব। য'ত ৩০ খন দেশৰ ৩ শতাধিক কৃত্ৰিম বুদ্ধিমত্তাৰ শীৰ্ষ কোম্পানীয়ে অংশ লোৱাৰ আশা আছে। এই সন্মিলনত ভাগ ল'ব লগা বিশ্বৰ শীৰ্ষ নেতৃত্বৰ ভিতৰত আছে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ, ব্ৰাজিলৰ  ৰাষ্ট্ৰপতি লুই ইনাছিঅ' লুলা দ্যা ছিলভা, স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ' ছেনছেজ, ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিন, নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক স্কুফ, সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰৰ আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহিয়ান, মৰিছাছৰ প্ৰধানমন্ত্ৰী ড° নবীন চন্দ্ৰ ৰাম গোলাম, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে, ছিছিলিৰ উপ ৰাষ্ট্ৰপতি ছেৱাষ্টিয়ান পিল্লে আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগে' আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, এই শীৰ্ষ সন্মিলনত বলিভিয়া, ক্ৰৱেছিয়া, এষ্টোনিয়া, ফিনলেণ্ড, গ্ৰীচ, গুয়ানা, কাজাখস্তান, লিষ্টেনষ্টেইন, চাৰ্ভিয়া আৰু শ্ল'ভাকিয়াৰ নেতাসকলেও অংশ ল'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বাংলাদেশ নেচনেল পাৰ্টীৰ সভাপতি তাৰিক ৰহমানৰ সৈতে টেলিফোন যোগে কথা পাতে আৰু বাংলাদেশৰ সদ্য সমাপ্ত সংসদীয় নিৰ্বাচনত লাভ কৰা বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে তেওঁ আলোচনা কালত বাংলাদেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে শ্ৰীৰহমানৰ প্ৰচেষ্টাৰ প্ৰতি পূৰ্ণ সমৰ্থন প্ৰকাশ কৰে। আলোচনা কালত ঘনিষ্ঠ চুবুৰীয়া ৰাষ্ট্ৰ হিচাপে দুয়ো দেশৰ জনসাধাৰণৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহৰা বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সুষমা স্বৰাজৰ জয়ন্তীত শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে কয়, যে প্ৰয়াত স্বৰাজে তেওঁৰ জীৱনকালত জনসাধাৰণৰ কল্যাণ সাধন কৰাটো এক অভিযান হিচাপে গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰৰ স্বাৰ্থৰ খাতিৰত তেওঁ নিৰ্ভিকভাৱে থিয় দিয়া বাবেও প্ৰয়াত নেত্ৰীগৰাকী সকলোৰে মাজত পৰিচিত হৈছিল। শ্ৰীশ্বাহে লগতে কয়, যে ৰাষ্ট্ৰ, সংস্কৃতি, ভাষা, বৈদেশিক নীতি আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত সুষমা স্বৰাজে কৰি থৈ যোৱা কামসমূহে পৰৱৰ্তী প্ৰজন্মকো অনুপ্ৰেৰণা যোগাই থাকিব।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আয়াৰলেণ্ডে ওমানক ২৩৬ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰত্যুত্তৰত ওমানে বাতৰি যুগুতোৱাৰ পৰলৈকে ১০ অভাৰত ২টা উইকেট হেৰুৱাই ৮৫ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক লৰ্কান টাকাৰ্ছৰ অপৰাজিত ৯৪ ৰানৰ সহায়ত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি বিয়লি ৩ বজাত কলকাতাত হ'বলগীয়া গ্ৰুপ-চিৰ এখনত খেলত ইংলেণ্ড স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া ৭ বজাত আহমেদাবাদত হ'বলগীয়া গ্ৰুপ ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০

**সমাপ্ত**